# 2023

## ASSAMESE

## ( Honours Core )

Paper : ASM–HC–5016

( অসমীয়া নাটক আৰু পৰিৱেশনশৈলী )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×১০=১০

(ক) সংস্কৃত ৰূপকৰ ভাগ কেইটা ?

(খ) ৰুক্মবীৰে ৰুক্মিণীক বিয়া দিবলৈ বিচৰা ৰজাজনৰ নাম কি ?

(গ) অংকীয়া নাটসমূহ কি ভাষাত ৰচিত ?

(ঘ) লোককলাৰ সমল থকা এখন অসমীয়া নাটৰ নাম লিখা।

(ঙ) 'গোপাল ওস্তাদ' ক'ৰ মানুহ আছিল ?

(চ) শৈলধৰ ৰাজখোৱা ৰচিত নাট এখনৰ নাম লিখা।

(ছ) চন্দ্ৰাৱলী কোন ?

(জ) 'নীলাম্বৰ' নাটত কমতাপুৰ ৰাজ্যৰ প্ৰধানমন্ত্ৰীগৰাকীৰ নাম কি ?

(ঝ) 'কমল'ৰ প্ৰেয়সীগৰাকীৰ নাম কি?

(ঞ) 'আহাৰ' নাটখনত ধীৰেণ কোন?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) অংকীয়া নাটত ব্যৱহৃত দুবিধ আহাৰ্যৰ নাম লিখা।

(খ) 'ৰুক্মিণীহৰণ' নাটত ৰুক্মিণীৰ সখা দুগৰাকীৰ নাম কি?

(গ) 'নীলাম্বৰ' নাটত প্ৰথম দৃশ্যত উল্লেখ থকা পূজাৰীগৰাকী কোন মন্দিৰৰ? তেওঁ ৰজালৈ কি লৈ আহিছিল?

(ঘ) দুখন অসমীয়া এবচাৰ্ড নাটৰ নাম লিখা।

(ঙ) কৰুণা ডেকা ৰচিত প্ৰথম পূৰ্ণাঙ্গ নাটখনৰ নাম কি? নাটখন কিমান চনত ৰচনা কৰিছিল?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) অংকীয়া নাটৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(খ) 'ৰুক্মিণীহৰণ' নাটৰ ৰুক্মবীৰ চৰিত্ৰটিৰ বিষয়ে লিখা।

(গ) নাট্যকাৰ হিচাপে অৰুণ শৰ্মাৰ বিষয়ে আলোচনা কৰা।

(ঘ) "এজনী ৰাজহাঁহ হ'বৰ মন যায়। মোৰ চাৰিওপিনে পোৱালী কিছুমান অনবৰত ঘূৰি ফুৰিব আৰু সিহঁতৰ তদাৰক কৰি মই বিচৰণ কৰি ফুৰিম।" কোনে, কাক, কি প্ৰসঙ্গত কৈছিল? বুজাই লিখা।

(ঙ) 'উৰুখা' নাটখনৰ প্ৰশান্ত কোন? নাটখনত চৰিত্ৰটিৰ গুৰুত্ব কি, বুজাই লিখা।

(চ) 'নীলাম্বৰ' নাটখনত ৰাজিয়া চৰিত্ৰটিৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।





৪। তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) নাটকৰ ৰস বুলিলে কি বুজা? 'ৰুক্মিণীহৰণ' নাটৰ ৰস বিচাৰ কৰা।

নতুবা

নাটকৰ সন্ধি বুলিলে কি বুজা? 'ৰুক্মিণীহৰণ' নাটত পঞ্চসন্ধি দেখিবলৈ পোৱা যায়নে, বিশ্লেষণ কৰা।

(খ) এবচাৰ্ড নাটকৰ বৈশিষ্ট্যসমূহ আলোচনা কৰি এটি চমু নিবন্ধ যুগুত কৰা।

নতুবা

'আহাৰ' নাটৰ চৰিত্ৰসমূহৰ বিপৰীতধৰ্মী দিশসমূহৰ জৰিয়তে নাট্যকাৰে উপস্থাপন কৰিব বিচৰা বিষয়টি আলোচনা কৰা।

(গ) বিয়োগান্তক নাট হিচাপে 'নীলাম্বৰ' নাটখনৰ এটি আলোচনা আগবঢ়োৱা।

নতুবা

'নীলাম্বৰ' নাটত নন্দ চৰিত্ৰৰ গুৰুত্ব কি? বহলাই আলোচনা কৰা।

(ঘ) এখন মননশীল ইংগিতধৰ্মী নাটক হিচাপে 'উৰুখা' নাটখনৰ এটি পৰ্যালোচনা আগবঢ়োৱা।

নতুবা

'উৰুখা' নাটখনৰ চৰিত্ৰৰ মানসিক দ্বন্দ্ব কিদৰে তুলি ধৰিছে, আলোচনা কৰা।

★★★

**3 (Sem–5/CBCS) ASM HC 2**

# 2023

## ASSAMESE

( Honours Core )

Paper : ASM–HC–5026

**( অসমীয়া ব্যাকৰণ )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ লিখা : ১×১০=১০

(ক) *Syntactic Structure* নামৰ গ্ৰন্থখনৰ প্ৰণেতা কোন?

(খ) "ব্যাকৰণ মাত্ৰৰে তলিখন ফুটা" ("All grammars leak")—কথাষাৰ কোনে কৈছিল?

(গ) অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণৰ নাম লিখা।

(ঘ) 'অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ' নামৰ গ্ৰন্থখনৰ লিখকগৰাকীৰ নাম লিখা।

(ঙ) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি কেইটা?

(চ) অসমীয়া ভাষাত শ্বাসাঘাত বৰ্ণগত হয়নে?

(ছ) ভাষাৰ ক্ষুদ্ৰতম অৰ্থবহ গোটটো কি?

(জ) অসমীয়া ভাষাৰ এটা বচন-নিৰপেক্ষ ৰূপৰ উদাহৰণ দিয়া।

(ঋ) 'বাক্যতত্ত্ব'ৰ ইংৰাজী প্ৰতিশব্দটো লিখা।

(এ) নোৱম চমস্কীৰ *Aspects of the Theory of Syntax* গ্ৰন্থখন কোন চনত প্ৰকাশ হৈছিল?

২। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ লিখা : ২×৫=১০

(ক) *Grammatical Notices of the Assamese Language* নামৰ অসমীয়া ব্যাকৰণখন কোনে প্ৰণয়ন কৰিছিল আৰু এই গ্ৰন্থখন কিমান চনত প্ৰকাশ পাইছিল?

(খ) ঐতিহাসিক ব্যাকৰণ কাক বোলে?

(গ) অসমীয়া ভাষাত শ্ৰুতিধ্বনি কেইটা আৰু কি কি?

(ঘ) মুক্তৰূপ আৰু যুক্তৰূপ কাক বোলে?

(ঙ) অসমীয়া ভাষাৰ খণ্ডবাক্যৰ দুটা প্ৰকাৰ উল্লেখ কৰা।

৩। তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ব্যাকৰণক প্ৰধানত কি কি তিনিটা ভাগত ভগোৱা হয়? তিনিও প্ৰকাৰৰ ব্যাকৰণৰ চমু পৰিচয় দাঙি ধৰা।

(খ) অসমীয়া ভাষাৰ পশ্চ স্বৰবৰ্ণ কেইটা আৰু কি কি? জিভাৰ উচ্চতা অনুসৰি এই বৰ্ণকেইটাৰ এখন তালিকা প্ৰস্তুত কৰা।

(গ) "অসমীয়া ভাষাত লিঙ্গ আংশিকভাৱে ব্যাকৰণগত"—কথাষাৰ উদাহৰণসহ আলোচনা কৰা।





(ঘ) অসমীয়া ভাষাৰ উদাহৰণেৰে প্ৰত্যয় আৰু বিভক্তিৰ পাৰ্থক্য বিচাৰ কৰা।

(ঙ) ক্ৰিয়াৰ নঞৰ্থক ৰূপ বুলিলে কি বুজা? অসমীয়া ভাষাৰ নঞৰ্থক ক্ৰিয়াপদৰ গঠন সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(চ) বাক্যাংশৰ ওপৰত ভিত্তি কৰি বাক্যতত্ত্বক কি কি তিনিটা ভাগত ভাগ কৰিব পাৰি, আলোচনা কৰা।

৪। (ক) ব্যাকৰণ বুলিলে কি বুজা? অসমীয়া ভাষাৰ ব্যাকৰণ চৰ্চাৰ ইতিহাস সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ২+৮=১০

অথবা

(খ) মিছনেৰী কালৰ পৰা আৰম্ভ কৰি সাম্প্ৰতিক কাললৈ অসমীয়া ব্যাকৰণ চৰ্চাৰ এই দীঘলীয়া পৰিক্ৰমাত অসমীয়া ভাষাৰ যথেষ্ট ব্যাকৰণ ৰচিত হৈছে যদিও অসমীয়া ভাষাৰ পূৰ্ণাঙ্গ ব্যাকৰণ এখনৰ অভাৱ অনুভৱ কৰা যায় বুলি সততে শুনিবলৈ পোৱা অভিযোগৰ সত্যাসত্য বিচাৰ কৰা। ১০

৫। (ক) বৰ্ণ বা বিশিষ্ট ধ্বনি কাক বোলে? অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি এইবোৰৰ এখন তালিকা প্ৰস্তুত কৰা। ১০

অথবা

(খ) বিভাজ্য আৰু অবিভাজ্য ধ্বনি কাক বোলে? অসমীয়া ভাষাত কোনবোৰ বিভাজ্য ধ্বনি? এইবোৰৰ বিষয়ে বহলাই আলোচনা কৰা। ২+২+৬=১০

৬। (ক) লিঙ্গ বুলিলে কি বুজা? অসমীয়া ভাষাত লিঙ্গভেদ বুজাবলৈ কি কি উপায় অৱলম্বন কৰা হয়, উদাহৰণসহ আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) বিভক্তি কাক বোলে? ইয়াক মূলত কি কি দুটা ভাগত ভগোৱা হৈছে? অসমীয়া ভাষাৰ বিভিন্ন কাল, পুৰুষ আৰু ভাব অনুযায়ী ক্ৰিয়া বিভক্তিসমূহ কেনেদৰে ব্যৱহাৰ কৰা হয়, উদাহৰণসহ লিখা। ২+২+৬=১০

৭। (ক) বাক্যতত্ত্ব বুলিলে কি বুজা? ভাব আৰু গঠন অনুসৰি অসমীয়া ভাষাৰ বাক্যৰ শ্ৰেণীবিভাজন সম্পৰ্কে আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) "যোগ্যতা, আকাঙ্খা আৰু আসক্তিযুক্ত পদৰ সমূহেই বাক্য"—কথাষাৰ অসমীয়া ভাষাৰ বাক্যৰ আলোচনাত কিদৰে প্ৰযোজ্য আৰু গ্ৰহণযোগ্য, আলোচনা কৰা। ১০

★★★

# 2023

## ASSAMESE

( Honours Elective )

Paper : ASM-HE-5016

**( Study of Assamese Folk Literature )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) লোকসাহিত্য বুজাবলৈ 'Verbal Art' অভিধাটো কোনে প্ৰয়োগ কৰিছিল ?

(খ) 'বেলাড' (Ballad) শব্দটোৰ অসমীয়া সমাৰ্থক শব্দ কি ?

(গ) অসমত প্ৰচলিত এবিধ মন্ত্ৰৰ নাম লিখা।

(ঘ) 'অসমৰ জনসাহিত্য' গ্ৰন্থখনৰ ৰচক কোন ?

(ঙ) নিচুকণি গীতবোৰক অন্য কি নামেৰে জনা যায় ?

(চ) আজানপীৰ বা শ্বাহ মিলনৰ নামত প্ৰচলিত গীতসমূহক কি বুলি কোৱা হয় ?

(ছ) 'লালিলাং' কোনটো জনগোষ্ঠীৰ লোকগীত ?

(জ) 'গুমৰাগ' নৃত্যটো কোনটো লোকউৎসৱৰ লগত সম্পৰ্কিত ?

(ঝ) বুৰঞ্জীমূলক মালিতাৰ এটি উদাহৰণ দিয়া।

(ঞ) সাধুকথাৰ সামাজিক প্ৰকাৰ্য কি ?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) লোকসাহিত্য আৰু লিখিত সাহিত্যৰ মাজত থকা দুটা পাৰ্থক্য লিখা।

(খ) মন্ত্ৰবোৰক কি কি ভাগত ভাগ কৰিব পাৰি ?

(গ) 'ৰং ফাৰপি ৰংবে' কোন জনগোষ্ঠীৰ কি বিষয়ক কাহিনী ?

(ঘ) ভঠেলি অসমৰ কোন অঞ্চলত প্ৰচলিত? ইয়াৰ অন্য নাম কি ?

(ঙ) গোৱালপাৰা অঞ্চলত প্ৰচলিত উৎসৱকেন্দ্ৰিক দুবিধ লোকগীতৰ নাম লিখা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) অনুষ্ঠানমূলক লোকগীত

(খ) সাধুকথাৰ শ্ৰেণীবিভাজন

(গ) খেল-ধেমালিৰ গীতমাত

(ঘ) জিকিৰ আৰু জাৰী

(ঙ) হাইদাং গীত

(চ) অইনিতম





৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো চাৰিটা) : ১০×৪=৪০

(ক) লোকসাহিত্যৰ সংজ্ঞা নিৰূপণ কৰি ইয়াৰ বৈশিষ্ট্য সম্পৰ্কে এটি প্ৰবন্ধ প্ৰস্তুত কৰা।

(খ) লোকগীত কাক বোলে? ইয়াৰ প্ৰকাৰসমূহৰ বিষয়ে লিখা।

(গ) 'সাধুকথা লোক মনৰ প্ৰতিছবি'—কথাষাৰৰ আধাৰত যুক্তিযুক্ততা বিচাৰ কৰা।

(ঘ) অসমত প্ৰচলিত প্ৰবাদ-পটন্তৰ সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(ঙ) বেলাড কাক বোলে? ইয়াৰ বৈশিষ্ট্য আৰু শ্ৰেণীবিভাগ সম্পৰ্কে আলোচনা কৰা।

(চ) বাৰমাহী গীত কাক বোলে? উদাহৰণসহ বুজাই লিখা।

(ছ) উৎসৱকেন্দ্ৰিক লোকগীত কাক বোলে? অসমীয়া আৰু অসমীয়া নৃগোষ্ঠীয় উপভাষাত ৰচিত এনে গীতৰ উদাহৰণ দি বুজাই লিখা।

(জ) গোৱালপৰীয়া লোকগীত সম্পৰ্কে লিখা।

★★★

**2 0 2 3**

# ASSAMESE

( Honours Elective )

Paper : ASM–HE–5026

**( অসমীয়া ৰমণ্যাসৱাদী কবিতা )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) অসমীয়া সাহিত্যত ৰমণ্যাস শব্দটোৰ ব্যৱহাৰ প্ৰথমে কোনে কৰিছিল ?

(খ) জোনাকী যুগৰ এগৰাকী অতীন্দ্ৰিয়বাদী কবিৰ নাম লিখা।

(গ) 'জ্ঞানমালিনীৰ কবি'ৰূপে কোনগৰাকী কবি জনাজাত ?

(ঘ) 'অসম কেশৰী' কোন ?

(ঙ) ৰত্নকান্ত বৰকাকতিয়ে লিখা এখন কাব্যপুথিৰ নাম লিখা।

(চ) 'মাণিকি মধুৰী' কাব্যগ্ৰন্থখন কাৰ ৰচনা ?

(ছ) 'হে জননী ভাৰতবৰ্ষ' কবিতাটোত উল্লেখ থকা অসমৰ এগৰাকী বীৰ পুৰুষৰ নাম লিখা।

(ছ) 'শাপমুক্তা' কবিতাটোত কোন শাপভ্ৰষ্ট হৈছিল ?

(ঝ) শৈলধৰ ৰাজখোৱাৰ কবিতাৰ প্ৰধান সুৰ কি ?

(ঞ) অসমীয়া ভাষাত প্ৰথমে ছনেট কবিতা লিখা কবিজনৰ নাম কি ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ 'ভ্ৰম' কবিতাটো কোনখন কবিতাৰ পুথিৰ পৰা আহৰণ কৰা হৈছে? এই কবিতাটিক কোনবিধ ছন্দৰ ব্যৱহাৰে আকৰ্ষণীয় কৰি তুলিছে?

(খ) ৰমণ্যাসিক কবিতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(গ) "ক'ৰ পৰা তই আহিলি সোণাই
কোন দিশে যাব উৰি,
কিয় বা ফুৰিছ দূৰ-দূৰণিত
অকল'ই ঘূৰি ঘূৰি।"

এই স্তৱকটি কোনটো কবিতাৰ আৰু ইয়াত কবিয়ে কাক 'সোণাই' বুলি সম্বোধন কৰিছে?

(ঘ) "লালকিল্লা স্মৃতিৰ গহ্বৰ
কত কথা, কত ব্যথা তাত!"

এই পংক্তিটিৰ ৰচক কোন? কবিগৰাকীৰ ৰচিত এখন কাব্যগ্ৰন্থৰ নাম লিখা।

(ঙ) যতীন্দ্ৰনাথ দুৱৰাৰ কবিতাৰ দুটা বৈশিষ্ট্য লিখা।





৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) "পূৰ্ণিমাৰ পোহৰত
নিৰাশাৰ আঁউসী পুৱাব
তোমাৰেই হিয়াৰ জেউতি
ভূবন বিয়পি বৈ যাব।"

প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা।

(খ) 'বিশ্বশিল্পী' কবিতাটিত কবিয়ে নিজকে কিয় বিশ্বশিল্পীৰ ৰূপত সজাব বিচাৰিছে? ব্যাখ্যা কৰা।

(গ) অসমীয়া কাব্য-সাহিত্যলৈ কবি ডিম্বেশ্বৰ নেওগৰ অৱদান সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ঘ) অসমীয়া চতুৰ্দশপদী কবিতাৰ বিষয়ে এটি টোকা আগবঢ়োৱা।

(ঙ) "যত শুঙো, চুমা খাওঁ, নালাগে আমনি,
হৃদয়ত হেঁপাহৰ ভোটাতৰা জ্বলে।"

এই কবিতাংশটি তোমাৰ পাঠৰ কোনটো কবিতাৰ অন্তৰ্গত? কবিতাটোৰ মাজেৰে কবিয়ে কি ক'বলৈ বিচাৰিছে, চমুকৈ আলোচনা কৰা।

(চ) 'জোনাকী' কাকতখনলৈ ৰমণ্যাসিক কবি চন্দ্ৰকুমাৰ আগৰৱালাদেৱে আগবঢ়োৱা অৱদানৰ বিষয়ে চমুৱাই আলোচনা কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) অসমীয়া ৰমণ্যাসিক কবিতাৰ পটভূমি সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

(খ) অতুল চন্দ্ৰ হাজৰিকাৰ 'লালকিল্লা' কবিতাটোৰ বিষয়বস্তু তোমাৰ ভাষাৰে ব্যক্ত কৰা।

(গ) ''আদিতেই যাত্ৰা কৰি অনাদিলৈ' যাওঁ
ধ্বংসৰ মাজেদি মই
ৰূপান্তৰেদি ৰূপ পাই
নৰতম সৃষ্টিৰ শলিতা জ্বলাওঁ।''

উদ্ধৃত কবিতাংশ কোনটো কবিতাৰ অন্তৰ্গত? কবিতাটোৰ জৰিয়তে কবিগৰাকীৰ শিল্পীসত্তাটোক বিশ্লেষণ কৰা।

(ঘ) কবি নলিনীবালা দেৱীৰ 'পৰশমণি' কবিতাটোত ভাৰতীয় আধ্যাত্মিক দৰ্শনৰ প্ৰভাৱ কেনেদৰে প্ৰতিফলন ঘটিছে, আলোচনা কৰা।

(ঙ) 'সোণোৱালী দেশ' কবিতাটোৰ বিষয়বস্তু সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

(চ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'মানৱায়তন' কবিতাটোৰ মাজেৰে কবিৰ স্বদেশপ্ৰীতি আৰু জাতীয় চেতনাৰ প্ৰতিফলন কেনেদৰে ঘটিছে, আলোচনা কৰা।

(ছ) 'আত্মন' কবিতাটোৰ মাজেৰে চুফীবাদৰ দৰ্শন কেনেদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(জ) লক্ষ্মীনাথ বেজবৰুৱাৰ 'ভ্ৰম' কবিতাটিত কবিৰ সৌন্দৰ্যপ্ৰীতি আৰু গভীৰ প্ৰেমানুভূতিৰ সংযোগত প্ৰিয়তমাৰ অপৰূপ ৰূপ কেনেদৰে ফুটি উঠিছে, উদ্ধৃতিসহ আলোচনা কৰা।

★★★